# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-08-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আজি বিকশিত ভাৰত সংকল্প অভিযানৰ অংশ হিচাপে নিচামুক্ত যুৱ কাৰ্যসূচী মুকলি কৰিব।

২। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগৎ প্ৰকাশ নাড্ডাই NEET-PG ২০২৬ৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণকাৰী প্ৰৱেশ পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে।

৩। কেন্দ্ৰীয় চৰকাৰে নিয়মীয়া মাহেকীয়া হস্তান্তৰৰ বাবে ৰাজ্য চৰকাৰসমূহলৈ অতিৰিক্ত কিস্তিৰ ধন মুকলি কৰি দিছে।

৪। অসমৰ শেহতীয়া বান পৰিস্থিতি উন্নত হৈছে যদিও ৭ খন জিলাৰ ভালেমান অঞ্চল এতিয়াও পানীত বুৰ গৈ আছে।

আৰু

৫। গ্লাছগ'ত অনুষ্ঠিত কমনৱেলথ ক্ৰীড়া প্ৰতিযোগিতাৰ দশম দিনা কালি ১৬টা পদক জয়েৰে ভাৰত চতুৰ্থ স্থানলৈ উন্নীত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আজি বিকশিত ভাৰত সংকল্প অভিযানৰ অংশহিচাপে নিচামুক্ত যুৱ কাৰ্যসূচী মুকলি কৰিব। মাদক দ্ৰব্যৰ অপ ব্যৱহাৰৰ বিৰুদ্ধে ১০০ সপ্তাহ ধৰি সমগ্ৰ দেশতে এই জন ভাগিদাৰী অভিযান অব্যাহত থাকিব। এই অনুষ্ঠানত সমগ্ৰ দেশৰ ১০ হাজাৰ খন অঞ্চলৰ যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিব। মাই ভাৰত তথা মাই ভাৰত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকসকলৰ লগতে বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, যুৱ সংঘ, বে-চৰকাৰী সংস্থা, উদ্যোগসমূহৰ যুৱ দল আৰু ১২৫টাতকৈ অধিক আধ্যাত্মিক সংস্থাৰ অংশীদাৰসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সমগ্ৰ দেশতে জনসাধাৰণক সজাগ কৰি তোলাৰ লগতে এখন মাদক দ্ৰব্য মুক্ত সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে প্ৰতি দেওবাৰে এই অভিযানৰ অধীনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। এই কাৰ্যসূচীসমূহৰ ভিতৰত বিভিন্ন খেল-ধেমালি, ৱাকাথন, ধ্যান, সাংস্কৃতিক অনুষ্ঠান, সজাগতা অভিযান, বাটৰ নাট, আলোচনা চক্ৰ, চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে ভালেমান সমূহীয়া অংশগ্ৰহণমূলক কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অভিযানৰ লক্ষ্য হৈছে যুৱক-যুৱতীসকলক মাদক দ্ৰব্যৰ পৰা আঁতৰত ৰাখি বিভিন্ন ইতিবাচক কাম-কাজৰ মূল হোতা হিচাপে পৰিগণিত কৰা আৰু নিজ নিজ অঞ্চলৰ সাংস্কৃতিক পৰিৱৰ্তনৰ প্ৰতিনিধি হিচাপে গঢ়ি তোলা।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই NEET-PG, ২০২৬ৰ ৰাষ্ট্ৰীয় যোগ্যতা-সহ-প্ৰৱেশ পৰীক্ষাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰি পৰীক্ষাটো মসৃণ, নিৰাপদ, স্বচ্ছ আৰু প্ৰযুক্তি-চালিতভাৱে পৰিচালিত হোৱাটো নিশ্চিত কৰিছে। চলিত মাহৰ ৩০ তাৰিখে এই পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা।

বৈঠকত মন্ত্ৰীগৰাকীয়ে চিকিৎসা বিজ্ঞানৰ ৰাষ্ট্ৰীয় পৰীক্ষা ব’ৰ্ড এনবিইএমএছ, প্ৰযুক্তিৰ অংশীদাৰ আৰু পৰীক্ষা অনুষ্ঠিত কৰাৰ লগত জড়িত অন্যান্য অংশীদাৰসকলৰ প্ৰস্তুতিৰ মূল্যায়ন কৰে। তেওঁক পৰীক্ষাৰ লজিষ্টিক, প্ৰাৰ্থীৰ সুবিধা প্ৰদানৰ ব্যৱস্থা, নিৰাপত্তা স্থাপত্য আৰু NEET-PG, 2026ৰ বাবে প্ৰৱৰ্তিত প্ৰযুক্তি-চালিত হস্তক্ষেপৰ বিষয়ে অৱগত কৰা হয়।

মন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয় যে সততা আৰু নিৰাপত্তাৰ উচ্চ মান বজাই ৰাখি এক ন্যায্য, স্বচ্ছ আৰু পৰীক্ষাৰ্থী অনুকূল পৰীক্ষা নিশ্চিত কৰাৰ বাবে সকলো প্ৰচেষ্টা হাতত লোৱা হৈছে। শ্ৰীনাড্ডাই পৰীক্ষাৰ্থীসকলক উৰাবাতৰিৰ বলি নহ’বলৈ আৰু কেৱল এনবিইএমএছ আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জাৰি কৰা চৰকাৰী যোগাযোগৰ ওপৰত নিৰ্ভৰ কৰিবলৈও আহ্বান জনায়। পৰীক্ষা আৰম্ভ হোৱাৰ কিছু সময়ৰ পূৰ্বে অতি সুৰক্ষিত আৰু সময় নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ জৰিয়তে চূড়ান্ত প্ৰশ্নকাকত নিৰ্বাচন কৰা হৈছে তথা প্ৰযুক্তিগত আৰু কাৰ্য্যকৰী সুৰক্ষাৰ একাধিক স্তৰে নিৰ্ধাৰিত আৰম্ভণিৰ সময়লৈকে ইয়াৰ গোপনীয়তা নিশ্চিত কৰিছে। মন্ত্ৰীগৰাকীয়ে পৰীক্ষাৰ বাবে লোৱা সামগ্ৰিক সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাও কৰে। ইয়াৰ উপৰি শ্ৰীনাড্ডাই প্ৰতিজন প্ৰাৰ্থীয়ে যাতে মসৃণ, সুৰক্ষিত আৰু চাপমুক্ত পৰীক্ষা প্ৰক্ৰিয়াৰ অভিজ্ঞতা লাভ কৰে তাৰ বাবে সমন্বয় বজাই ৰাখিবলৈ নিৰ্দেশ দিয়ে।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ তথ্য অনুসৰি NEET-PG, 2026 ৰ বাবে মুঠ ২ লাখ ৭৩ হাজাৰ ১৮৩ গৰাকী প্ৰাৰ্থীয়ে পঞ্জীয়ন কৰিছে, যিয়ে পূৰ্বৰ বছৰৰ তুলনাত ১২.৫ শতাংশতকৈ অধিক বৃদ্ধিৰ প্ৰতিনিধিত্ব কৰে। প্ৰায় ৩৪০খন চহৰ আৰু ১৩ শৰো অধিক পৰীক্ষা কেন্দ্ৰত এটা বেলাতে এই পৰীক্ষা অনুষ্ঠিত হ’ব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অহা ১০ আগষ্টত হ’বলগীয়া নিয়মীয়া মাহেকীয়া হস্তান্তৰৰ বাবে ৰাজ্য চৰকাৰসমূহক অতিৰিক্ত কিস্তি হিচাপে এক লাখ ন হাজাৰ ঊনৈশ কোটি টকা মুকলি কৰি দিছে।

মন্ত্ৰালয়ে প্ৰকাশ কৰা ৰাজ্যভিত্তিক বিভাজনৰ তথ্য অনুসৰি উত্তৰ প্ৰদেশে সৰ্বাধিক ১৯,২০৮ কোটি টকা, বিহাৰে ১০,৮৪৫ কোটি আৰু মধ্যপ্ৰদেশে ৮,০১০ কোটি টকা লাভ কৰিছে। একেদৰে পশ্চিম বংগই ৭,৮৬৬ কোটি আৰু মহাৰাষ্ট্ৰই ৭,০২২ কোটি টকা লাভ কৰিছে। ক্ষুদ্ৰ

ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহেও নিজৰ নিজৰ অংশ লাভ কৰিছে। তালিকাৰ সৰ্বনিম্ন আবণ্টনৰ ভিতৰত ছিকিমে ৩৬৫ কোটি, গোৱাই ৩৯৮ কোটি আৰু নাগালেণ্ডে ৫২৪ কোটি টকা লাভ কৰিছে।

০০০০০

অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৭খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে। বানত ৩৪৯ খন গাঁৱৰ ১৭ লাখ ৮ হাজাৰ ৮৩৭ জন লোক প্ৰভাৱিত হৈছে। তদুপৰি ১৫ হাজাৰ ৬০ হেক্টৰ কৃষি ভূমি পানীৰ তলত আছে।

ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বানপীড়িতসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ তথা নতুনকৈ লোৱা সিদ্ধান্তসমূহৰ বিষয়ে কালি ফেচবুক লাইভ যোগে ঘোষণা কৰে। সেই অনুসৰি বানপীড়িত পৰিয়ালসমূহলৈ ইতিমধ্যে ঘোষণা কৰা ১৫ হাজাৰ টকাৰ এককালীন সাহায্য কাইলৈৰ পৰা ৫ আগষ্টৰ ভিতৰত বেংক যোগে মুকলি কৰি দিয়া হ'ব। এই বানত আটাইতকৈ ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ প্ৰায় ৫৫ হাজাৰ, চৰাইদেউ জিলাৰ প্ৰায় ২০ হাজাৰ, যোৰহাট জিলাৰ প্ৰায় ৭ হাজাৰ আৰু গোলাঘাট জিলাৰ প্ৰায় ৩ হাজাৰ পৰিয়ালে অনুদান লাভ কৰিবলৈ সমৰ্থ হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ বিদ্যুৎ মাচুল ৰেহাই দিয়াৰ ঘোষণা কৰে।

***বাইট ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা***

ৰাজ্য চৰকাৰে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বান প্ৰভাৱিত লোকসকললৈ চলিত বিত্তীয় বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ৩১ মাৰ্চলৈকে মাটিৰ খাজনা ৰেহাই দিয়াৰ সিদ্ধান্ত লৈছে। একেদৰে বানত ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহৰ বাবে ২ লাখকৈ, নামঘৰসমূহলৈ ডেৰ লাখকৈ আৰু অংগনবাড়ী কেন্দ্ৰসমূহলৈ ২ৰ পৰা আঢ়ৈ লাখকৈ টকাৰ সাহায্য পুনৰ নিৰ্মাণ, সা-সঁজুলি ক্ৰয়ৰ বাবে প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে অহা ৭ আগষ্টৰ পৰা নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত দ্বাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপনৰ ৰাষ্ট্ৰীয় অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং তথা কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও কাৰ্যসূচীত উপস্থিত থাকিব। বস্ত্ৰ মন্ত্ৰালয়ে কৈছে যে এই অনুষ্ঠানৰ মূল উদ্দেশ্য হৈছে ভাৰতৰ চহকী হস্ততাঁত ঐতিহ্যক উদযাপন কৰা আৰু দেশৰ সাংস্কৃতিক তথা অৰ্থনৈতিক উন্নয়নত হস্ততাঁত আৰু বয়ন শিল্পৰ সৈতে জড়িত লোকসকলৰ অৱদানক স্বীকৃতি দিয়া।

০০০০০

গ্লাছগ'ত অনুষ্ঠিত কমনৱেলথ ক্ৰীড়া প্ৰতিযোগিতাৰ দশম দিনা কালি ১৬টা পদক জয়েৰে ভাৰত চতুৰ্থ স্থানলৈ উন্নীত হৈছে। ভাৰতে এতিয়ালৈকে ১৩টা সোণ, ১৭টা ৰূপ আৰু ৯টা ব্ৰঞ্জসহ মুঠ ৩৯টা পদক লাভ কৰিছে। ভাৰতে কমনৱেলথ গেমছৰ বক্সিং শিতানত সৰ্বোৎকৃষ্ট প্ৰদৰ্শনেৰে অভিলেখ সংখ্যক ৭টা সোণ আৰু তিনিটা ৰূপৰ পদক অৰ্জন কৰি পদক তালিকাৰ শীৰ্ষ স্থানত আছে। অংকুশ পংঘলে ইংলেণ্ডৰ ডিমেজি চিটুক পুৰুষৰ ৮০ কিলোগ্ৰাম

শাখাৰ ফাইনেলত ৪-১ ব্যৱধানত আৰু শচীন ছিৱাছে নামিবিয়াৰ ত্ৰিয়াগেইন মৰ্নিং এণ্ড ডেভেলক ৬০ কিলোগ্ৰাম ওজন শাখাত ৩-২ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। বক্সিঙত সোণৰ পদক অৰ্জন কৰা আন খেলুৱৈসকল হ'ল জেচমিন লাম্বোৰিয়া, সাক্ষী চৌধাৰী, প্ৰিয়া ঘংঘাচ, প্ৰীতি পাৱাৰ আৰু অৰুন্ধতী চৌধাৰী। ইপিনে, আন ৩ গৰাকী বক্সাৰ নৰেন্দ্ৰৰ ৰেৰৱাল, লাভলীনা বৰগোহাঁই আৰু যদুমণি সিঙে ৰূপৰ পদক অৰ্জন কৰে। দীৰ্ঘ দূৰত্বৰ দৌৰবিদ গুলবীৰ সিঙে ১০ মিটাৰত ৰূপৰ পদক লাভ কৰা পাছত ৫ হাজাৰ মিটাৰ দৌৰতো ব্ৰঞ্জৰ পদক অৰ্জন কৰি কমনৱেলথ গেমছত ইতিহাস ৰচনা কৰে। তেওঁ কমনৱেলথ গেমছৰ ৫ হাজাৰ মিটাৰ দৌৰত প্ৰথমগৰাকী পদক জয়ী ভাৰতীয় হোৱাৰ গৌৰৱ অৰ্জন কৰাৰ লগতে একেখনে প্ৰতিযোগিতাতে দুটা পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় ট্ৰেক এণ্ড ফিল্ড খেলুৱৈ হিচাপে পৰিগণিত হয়। এছিয়ান চেম্পিয়নগৰাকীয়ে ১৩ মিনিট ২৪ দশমিক ৫ ছেকেণ্ডত এই দুয়োটা প্ৰতিযোগিতা সম্পূৰ্ণ কৰে।

ইপিনে, পেৰা এথলেটিক্সত ভাৰতৰ সুমন ৰানাই পুৰুষৰ F-57 শ্বটপুত শিতানত সোণৰ পদক হস্তগত কৰাৰ বিপৰীতে শুভম জুৰেলে ৰূপৰ পদক অৰ্জন কৰে। জুডো মেটত উন্নতি শৰ্মাই মহিলাৰ ৬৩ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

**সমাপ্ত**